সৰুপথাৰ মহাবিদ্যালয়
স্থাপিত ঃ ১৯৭০ চন
SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection

প্ৰথম বছৰ, পঞ্চম সংখ্যা, ২০২৪, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত ।।প্ৰথম বছৰ, পঞ্চম সংখ্যা ।। মাহেকীয়া ই-বাৰ্তা, ৩১ জুলাই২০২৪, বুধবাৰ

## স্নাতকোত্তৰ পৰীক্ষাৰ ফলাফলত ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে উজলিল সৰুপথাৰ মহাবিদ্যালয়

সদ্যঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফলত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উল্লেখনীয় সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ২০২২-২৩ বৰ্ষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ তত্ত্বাৱধানত প্ৰথমবাৰৰ বাবে আৰম্ভ কৰা স্নাতকোত্তৰ মহলাৰ পাঠ্যক্ৰমত মুঠ ৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছিল। কেউগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সফলতাৰে স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা লাভ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত পাবলৈ সক্ষম হৈছে যুগল মেধি, আকাশী গগৈ, মৌচুমী ভূঞা, নিহাৰিকা হাজৰিকা আৰু তৃষ্ণা গগৈয়ে A, প্ৰিয়ংকা শইকীয়া, বৰষা বৰা আৰু পূজা চমালে B+ Grade পাবলৈ সক্ষম হৈছে । গৌৰৱোজ্বল সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা মহাবিদ্যায়খনৰ ছাত্ৰ-ছাত্ৰীৰ এই সফলতাত মহাবিদ্যালয় পৰিয়াল স্বাভাৱিকতেই সুখী আৰু আনন্দিত হৈছে। মহাবিদ্যালয়ৰ পৰিয়ালৰ পৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ অফুৰন্ত মৰম, শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ। ■

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক পৰীক্ষাৰ ফলাফলত সৰুপথাৰ মহাবিদ্যালয়ৰ সাফল্য

সদ্যঘোষিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফলত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীসকলে উল্লেখনীয় সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই বৰ্ষত মহাবিদ্যালয়খন কলা শাখাত ৭৪.৬৮ শতাংশ আৰু বাণিজ্য শাখাত ৬০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে উজলি উঠিছে। কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্থান দখল কৰিবলৈ সক্ষম হৈছে। বাণিজ্য শাখাৰ কনিষ্কা শৰ্মাই ১৮ সংখ্যক স্থান দখল কৰিছে। সেইদৰে মৌছম শৰ্মা আৰু দেবালা পালে ক্ৰমে ২৯ আৰু ৫১ সংখ্যক স্থান লাভ কৰিবলৈ সক্ষম হৈছে। কলা শাখাৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰীতিৰাণী গোহাঁয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত ২৯ সংখ্যক স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰিয়ংকা কুমাৰে ৪৭ সংখ্যক, সমাজতত্ত্ব বিভাগৰ বিশ্বজিৎ তাছাই ৪২ সংখ্যক, বুৰঞ্জী বিভাগৰ নৱনীতা ফুকনে ৫৮সংখ্যক আৰু নুৰিস্মিতা গগৈয়ে ৬৯ সংখ্যক স্থান লাভ কৰিছে। গৌৰৱোজ্বল সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা মহাবিদ্যায়খনৰ ছাত্ৰ-ছাত্ৰীৰ এই সফলতাত মহাবিদ্যালয় পৰিয়াল স্বাভাৱিকতেই সুখী আৰু আনন্দিত হৈছে। ।স্থানপ্ৰাপকসকলৰ লগতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ অফুৰন্ত মৰম, শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ। ■

## সৰুপথাৰ মহাবিদ্যালয়ৰ ভাষা শিক্ষণ কোষ আৰু 'সাহিত্যৰ জুহাল'ৰ উদ্যোগত ভাষা বিষয়ক বক্তৃতানুষ্ঠান

৫ জুলাই, ২০২৪ঃ সৰুপথাৰ মহাবিদ্যালয়ৰ ভাষা শিক্ষণ কোষ আৰু অনলাইন সাহিত্য চৰ্চাৰ ফেচবুক গোট 'সাহিত্যৰ জুহাল'ৰ উদ্যোগত পাঁচ জুলাইত সৰুপথাৰ মহাবিদ্যালয়ৰ মুহিকান্ত তামুলী সোঁৱৰণী প্ৰেক্ষাগৃহত 'অসমীয়া ভাষাৰ সমৃদ্ধিত সাহিত্যিকৰ ভূমিকা' শীৰ্ষক বক্তৃতানুষ্ঠানৰ লগতে সাহিত্যৰ জুহালৰ দ্বাৰা প্ৰকাশিত 'জুহালৰ গল্প' উন্মোচন কৰা হয়। সৰুপথাৰ মহাবিদ্যালয় ভাষা শিক্ষণ কোষৰ সমন্বয়ক তথা অসমীয়া বিভাগৰ মুৰব্বী ড° প্ৰণৱ ফুকনে ব্যৱস্থাপনা কৰা অনুষ্ঠানটিৰ আঁত ধৰে উদীয়নাম কবি মহেশ্বৰ বসুমতাৰী আৰু স্পনানী গগৈ চেতিয়াই। অৱসপ্ৰাপ্ত শিক্ষক দিলীপ শৰ্মাই সঞ্চালনা কৰা অনুষ্ঠানত বৰপথাৰ মহাবিদ্যালয়ৰ ধ্ৰুৱজ্যোতি কোঁৱৰ, চৰকাৰী আদৰ্শ মহাবিদ্যালয়, দেইথৰৰ অধ্যক্ষ ড° দীপক কুমাৰ শৰ্মা উপস্থিত থাকে। ■

## শ্বহীদ কুশল কোঁৱৰৰ মৃত্যু তিথি পালন

১৫ জুলাই, ২০২৪ঃ সৰুপথাৰ মহাবিদ্যালয়ৰ কুশল কোঁৱৰ অধ্যয়ন কেন্দ্ৰ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ তথা ছাত্ৰ একতা সভাৰ সহযোগত ভাৰতৰ বিয়াল্লিছৰ আন্দোলনৰ বীৰ শ্বহীদ কুশল কোঁৱৰৰ মৃত্যুতিথি পালন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰকে মুখ্য কৰি শিক্ষক শিক্ষয়িত্ৰী তথা কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠানটিত সন্মানীয় অতিথি হিচাপে শ্বহীদ কুশল কোঁৱৰৰ পৰিয়ালৰ সদস্য শ্ৰীযুত মৃদুল কোঁৱৰ আৰু ৰজাপুখুৰী অঙ্গনবাদী কেন্দ্ৰৰ কণ কণ শিশুসকল। থাকে। ■

## Bicycle rally on the occasion of World bicycle day

The Bicycle Club of Sarupathar College under the co-ordinatorship of Mr. Satyabrat Dutta along with the members of Dhansiri Cycle Club took out a bicycle rally from Sarupathar to historic Deopahar and Numaligarh on the occasion of World bicycle day on 2nd June,2024. ■

## আৰ্তজনৰ কাষত সৰুপথাৰ মহাবিদ্যালয় শিক্ষক গোট

### ৬০ৰো অধিক পৰিয়ালৰ মাজত বান সাহাৰ্য প্ৰদান

**সৰুপথাৰ, ১৯ জুলাই ঃ** আৰ্তজনৰ কাষত থিয় হ'ল সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষক গোট। গোলাঘাট জিলাৰ সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষক গোটে আজি নদীদ্বীপ মাজুলীৰ বানাক্ৰান্তৰ মাজত বান সাহায্য প্ৰদানৰ লক্ষ্যৰে আৰ্তজনৰ কাষত থিয় হয়। নামনি মাজুলীৰ মলুৱাল, কৌপতিয়া, পমুৱা গাওঁ আৰু বিয়লি পাৰ অঞ্চলৰ প্ৰায় ৬০ৰো অধিক পৰিয়ালৰ মাজত সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষক গোটে বান সাহায্য প্ৰদান কৰে। উল্লেখ্য যে মহাবিদ্যালয়খনৰ শিক্ষক সমাজে উক্ত বানাক্ৰান্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষণ সামগ্ৰী আৰু গ্ৰন্থ প্ৰদানৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ লগত শিক্ষামূলক বাৰ্তালাপ আৰু সজাগতামূলক সভাৰো অনুষ্ঠিত কৰে। বানাক্ৰান্তৰ বাবে উৎসাহমূলক এনে সহযোগিতাৰ বাবে সমূহ গাঁওবাসীয়ে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ প্ৰমুখ্যে শিক্ষক গোটৰ প্ৰতিগৰাকী সদস্যকে শলাগ লয়। সম্পূৰ্ণ অনুষ্ঠানৰ আঁত ধৰে সৰুপথাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্ত আৰু সম্পাদক কৃষ্ণ কোঁৱৰে। উক্ত কাৰ্যসূচীত সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ দলটোক আৰম্ভণিৰে পৰা মাজুলী জিলা ক্ৰীড়া সন্থাৰ সম্পাদক দুষ্মন্ত বৰা, স্থানীয় শিক্ষক উৎপল বৰা, ধ্ৰুৱ শইকীয়া আৰু মাজুলীৰ ৰিভাৰৰাইন ক্লাবৰ সদস্যসকলে সহযোগিতা আগবঢ়ায়। অনুষ্ঠানৰ শেষত সৰুপথাৰ মহাবিদ্যালয়ৰ হৈ শিক্ষক গোটৰ সভাপতি প্ৰশান্ত পোদ্দাৰে সকলোকে শলাগ জনায়।

## Two-day Survey on Youth Not in Formal Education and Regular Employment conducted

A two day Survey on Youth Not in Formal Education and Regular Employment" was conducted successfully in Gondhakoroi area, covering around 100 households in villages No. 1 and No. 2. Gondhkoroi village. The survey was carried out on the 24th and 25th of June, 2024, with the dedicated efforts of 18 NSS volunteers each day. This initiative was guided by Mr. Agni B. Chetri, NSS Programme Officer and Assistant Professor, Department of Mathematics (Commerce), Sarupathar College. The survey was launched under the auspices of the Ministry of Youth Affairs and Sports, Government of India. The college administration has extended heartfelt gratitude to the NSS volunteers for their unwavering commitment and tireless efforts, especially under the sunny sky.■

## Rabha Divas Celebration at Sarupathar College

Sarupathar College celebrated the Rabha Divas on 20th June, 2024 at the college Digital Conference Hall to honour Kalaguru Bishnu Prasad Rabha's contributions to Assamese culture, literature, and music. The programme was organized by the Cultural Cell in collaboration with IQAC (Internal Quality Assurance Cell). Lamp lighting ceremony under Rabha's photo was initiated by Dr. Rita bora, Vice Principal, Satyabrat Dutta, Hod, History, Smita Chetia, Librarian". Ex-Principal Moniprobha Bora was the invited speaker, sharing insights on Bishnu Rabha's life and philosophies. Students from the Girls' Hostel performed a dance tribute to Bishnu Rabha, making the program unforgettable. Presence of students and teachers made the event remarkable. The celebration aimed to pay tribute to Kalaguru Bishnu Prasad Rabha's legacy and contributions. It provided a platform for students and faculty to learn about and appreciate Rabha's life and work. The event showcased the college's commitment to promoting cultural awareness and heritage. Overall, the Rabha Divas celebration at Sarupathar College was a wonderful tribute to Kalaguru Bishnu Prasad Rabha, and it's great to see the college community come together to honor his legacy. ■

## সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অভিভাৱক সভা আৰু ষষ্ঠ ষাণ্মাসিকৰ বিদায় সম্বৰ্ধনা

২৪-০৬-২০২৪ তাৰিখ সোমবাৰে বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলৰ সৈতে এক মত বিনিময় অনুষ্ঠান আয়োজন কৰে। বিভাগৰ মুৰব্বী ড° প্ৰণৱ ফুকনে আঁত ধৰা সভাখনত বিভাগৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সম্বন্বয়ক ড° ৰিদিপ খনিকৰ উপস্থিত থাকে। অনুষ্ঠানটিত অভিভাৱকসকলৰ লগতে অসমীয়া বিভাগৰ অধিকাংশ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উক্ত অনুষ্ঠানৰ পিছতে অসমীয়া বিভাগে স্নাতক ষষ্ঠ ষাণ্মাসিক আৰু স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে বিদায় জনাবৰ বাবে সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰে। উপস্থিত সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে স্ব-নিৰ্ভৰশীল হৈ সমাজ তথা দেশ নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ আহ্বান জনায়। সভাত বিদায়ী আৰু অন্যান্য ছাত্ৰ-ছাত্ৰীসকলে বিভাগত লাভ কৰা মধুৰ অভিজ্ঞতাসমূহ সোঁৱৰণ কৰে। ■

# News Capsules

## MoU with Royal Global University signed

Sarupathar College has executed a Memorandum of Understanding with The Assam Royal Global University, Guwahati on 17th July,2024 in a grand MoU signing function held in the university. Ms. Jayshree Bordoloi, Assistant Professor of Department of Economics represented Sarupathar College in the ceremony.It is to be mentioned here that The Assam Royal Global University which was established as a state private University by an Act of the state legislature of Assam in 2013 became operationalized in 2017 and is now offering 136 academic programs under 24 Schools of studies to 8000 plus students on the campus in Guwahati. ■

## NSS' seven day special camp

The NSS unit of Sarupathar college under the leadership of Programme Officer, Mr. Agni B. Chetri conducted a seven day special camp in No. 1 Sonalipathar Villege, No. 1 Jonakipathar and Jonalipathar Village from 25th July to 31st July,2024. In this connection a free health checkup cum awareness programme regarding health related problems was held among the Villagers of No1.Sonalipathar, No 1.Jonakipathar and Jonalipathar village. The Medical Officer, Staff Nurses, Aasha Karmi from Sarupathar CHC and NSS Volunteers actively took part to make the programme a grand success. On the other hand, various competitions like quiz, drawing competition and poem recitation competition were also organized among the students of No 1 Sonalipathar L P School and Panjan M.E School. ■

## Sarupathar MLA assures college Teachers' Unit of infrastructure development

The members of the Sarupathar College Teachers,s Unit led by President Mr. Prasanta Poddar and Secretary Mr. Krishna Konwar held a discussion with Mr. Biswajit Phukan, MLA of Sarupathar LAC at Kushal Bhawan on 27th June,2024 regarding various aspects of the college. The college unit felicitated the MLA with a *phulam gamosa* in the beginning and admired him for his contribution and commitment to the college. During the meeting Mr. Phukan assured the college teachers of providing with a well-furnished conference hall, a common room for boys, a pink toilet and a 30 kilowatt solar energy project. The college unit has expressed its satisfaction over the initiatives taken by the MLA and conveyed its deep sense of gratitude to him.■

## International Day against Drug Abuse observed

The global drug problem presents a multifaceted challenge that touches the lives of millions worldwide. From individuals struggling with substance use disorders to communities grappling with the consequences of drug trafficking and organized crime, the impact of drugs is far-reaching and complex. Central to addressing this challenge is the imperative to adopt a scientific evidence-based approach that prioritizes prevention and treatment. The/ International Day against Drug Abuse and Illicit Trafficking, or World Drug Day, is marked on 26 June every year to strengthen action and cooperation in achieving a world free of drug abuse. This year's World Drug Day campaign recognizes that effective drug policies must be rooted in science, research, full respect for human rights, compassion, and a deep understanding of the social, economic, and health implications of drug use. International Day against Drug Abuse and Illicit Trafficking was observed in Sarupathar College on 26th June, 2024 under the initiatives of Anti Tobacco Cell, IQAC and Day Observation Cell and Sarupathar College in association with Sarupathar Police Station in the digital conference hall of the college. Speaking on the occasion, Mr. Satyabrat Dutta said, "at every turn, the most vulnerable people — including young people — suffer the worst effects of this crisis." Mr. Dutta also stated that people who use drugs and those living with substance abuse disorders are victimized again and again: by the drugs themselves, by stigma and discrimination, and by heavy-handed, inhumane responses to the problem. Several speakers including the police personnel representing Sarupathar Police Station and faculty members of the college in their speeches emphasized how drugs are at the root of immeasurable human suffering. The programme came to an end with the vote of thanks offered by Mr. Pranjal Dutta, Co-ordinator of Day Observation Cell of the college.■


## সৰুপথাৰ মহাবিদ্যালয়ত ৰূপচৰ্চা আৰু চিলাই প্ৰশিক্ষণৰ নতুন পাঠ্যক্ৰম আৰম্ভ

সৰুপথাৰ মহাবিদ্যালয়ত অহা জুলাই মাহৰ পৰা নিয়মীয়া ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা যিকোনো বয়সৰ আগ্ৰহী ব্যক্তিৰ বাবে ৰূপচৰ্চা আৰু চিলাই প্ৰশিক্ষণৰ এটা নতুন পাঠ্যক্ৰম আৰম্ভ কৰিব খোজা হৈছে। এই পাঠ্যক্ৰমৰ সুবিধাসমূহ — ১। অতি কম খৰচত অভিজ্ঞ তথা সুদক্ষ প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ। ২। পৰিকল্পিত সুন্দৰ আৰু সুবিধাযুক্ত আন্ত:গাঁথনি।৩।নিয়মীয়া প্ৰশিক্ষণ।৪।তিনিমহীয়া আৰু ছমহীয়া পাঠ্যক্ৰমৰ অন্তত প্ৰমাণপত্ৰ প্ৰদান। যোগাযোগৰ বাবে- ৯৪৩৫৬৯১০৩৪, ৮৪৮৬৬১৭৬৯৪, ৯৪০১১০৫৩৮৩ ■



সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নিশামণি বৰাই ৫ জুনৰ পৰা ৯ জুনলৈকে চেন্নাইত অনুষ্ঠিত All India Windsurfing Championship'ত স্বৰ্ণপদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। নিশামণিলৈ অভিনন্দন আৰু শুভেচ্ছা।


খুছী ফাউণ্ডেচনৰ উদ্যোগত ১৫ জুন, ২০২৪ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ত গছপুলি ৰোপণ কাৰ্য সূচী।


মহাবিদ্যালয়ৰ বাকৰিত বৰ্ষাসিক্ত এটি দুপৰীয়া


ৰাধাচূড়াৰ ৰঙেৰে ৰঙীন মহাবিদ্যালয়ৰ বাকৰি






নদীদ্বীপ মাজুলীৰ বানাক্ৰান্তৰ কাষত সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষক গোট





সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী লাকী দাস আৰু প্ৰেৰণা হাজৰিকাই ১০ জুনৰ পৰা ১৩ জুন, ২০২৪ লৈকে ভুৱনেশ্বৰত অনুষ্ঠিত দ্বাদশ ৰাষ্ট্ৰীয় পেঞ্চাক ছিলাট চেম্পিয়নশ্বিপত স্বৰ্ণপদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। দুয়োগৰাকীলৈকে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ ।


সৰুপথাৰ মহাবিদ্যালয়ৰ নতুন সংযোজনঃ সৰুপথাৰ মহাবিদ্যালয় বহুমুখী সমবায় সমিতিৰ অধীনত আৰম্ভ কৰা হৈছে সুলভ মূল্যত ছাত্ৰ-ছাত্ৰীৰ বাবে জেৰক্সকে ধৰি যাৱতীয় সা-সামগ্ৰীৰ বিপণি 'ছাত্ৰ বন্ধু' - 'Students' Corner'



৬-৭-২০২৪তাৰিখ, জুলাই মাহৰ প্ৰথমটো শনিবাৰে ধনশিৰি মহকুমা চিকিৎসা কেন্দ্ৰৰ সহযোগত ৰজাপুখুৰী শ্যাম গাঁৱত বিনামূলীয়া স্বাস্থ্য শিবিৰ



মহাবিদ্যালয়ৰ 'চৰাই চুবুৰি'ত নতুন আলহী



সৰুপথাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক কোষৰ উদ্যোগত আয়োজিত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদযাপন


আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি সৰুপথাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ (এন এছ এছ) উদ্যোগত দুদিনীয়া যোগ শিবিৰ। ১৯ আৰু ২০ জুন , ২০২৪।



২৯ জুন, ২০২৪ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত NCC Rank Ceremonyত ব্ৰিগেডিয়াৰ ৰীতেশ বাহাল, লেফটেনেন্ট কৰ্ণেল এ জয়ন্তৰ উপস্থিতিত এন চি চি কেডেটসকলক ৰেংক প্ৰদান কৰা হয়। ব্ৰিগেডিয়াৰ ৰীতেশ বাহালে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময়েৰে তেওঁলোকৰ অনুপ্ৰাণিত কৰে। এই অনুষ্ঠানত চি চাৰ্টিফিকেট সফলতাৰে অৰ্জন কৰা এন চি চি কেডেটসকলক সম্বৰ্ধনা জনোৱা হয়। সৰুপথাৰ মহাবিদ্যালয়ৰ এন চি চি গোটৰ ধাৰাবাহিক উত্তৰণ সম্ভৱ হৈছে ANO Lt. ড° হিমাদ্ৰী দত্ত আৰু CTO ড° সঞ্জয় ৰিজালৰ সুনেতৃত্বত। দুয়োগৰাকীলৈকে আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ লগতে ছাত্ৰ-ছাত্ৰীসকললৈ অভিনন্দন।



২৬ জুলাইৰ পৰা ৩১ জুলাইলৈকে তামিলনাডুত অনুষ্ঠিত নেচনেল জুনিয়ৰ উশ্বু চেম্পিয়নশ্বিপত সৰুপথাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰী পূজা লিম্বুয়ে স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। মৰমৰ ছাত্ৰীগৰাকীলৈ মহাবিদ্যালয় পৰিয়ালৰ হৈ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ ।


মহাবিদ্যালয়ৰ শিলপুখুৰীত জলপৰী 'ভেট'ফুলৰ বাহাৰ

প্ৰতিবিম্ব ই-বাৰ্তাৰ সম্পাদনা সমিতিঃ
উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
সম্পাদকঃ ড° অমৰ শইকীয়া
সম্পাদক (ইংৰাজী শাখা)ঃ প্ৰাঞ্জল দত্ত
সহঃ সম্পাদকঃ
তৃস্মিতা বৰা, সত্যব্ৰত দত্ত, যুগল মেধি